**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-05-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
----------------------

১। ৰিমলৰ প্ৰভাৱত ৩১ মে’ পৰ্যন্ত ৰাজ্যৰ বিভিন্ন জিলাত বিজুলী-ঢেৰেকণি, বজ্ৰপাতৰ লগতে প্ৰবল বতাহ আৰু বৰষুণ দিব বুলি বতৰ বিজ্ঞান কেন্দ্ৰৰ আগজাননী।

২। প্ৰতিকূল বতৰৰ পৰিপ্ৰেক্ষিতত আজি ৰাজ্যৰ কেইবাখনো জিলাৰ শিক্ষানুষ্ঠান বন্ধৰ ঘোষণা।

৩। অন্তিম পৰ্যায়ৰ ভোটগ্ৰহণ পূৰ্বে সমষ্টিয়ে সমষ্টিয়ে ৰাজনৈতিক দলসমূহৰ ব্যাপক প্ৰচাৰ অভিযান। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আজি ঝাৰখণ্ড তথা পশ্চিম বংগত, সমাজবাদী পাৰ্টীৰ মুৰব্বী অখিলেশ যাদৱ আৰু কংগ্ৰেছ নেতা ৰাহুল গান্ধীৰ বাৰানসীত যৌথ ৰাজহুৱা সভাত অংশগ্ৰহণ।

*আৰু*

৪। আসন্ন পেৰিছ অলিম্পিকৰ যোগ্যতা নিৰ্ণয়কাৰী প্ৰতিযোগিতাৰ প্ৰথম ৰাউণ্ডত অসমৰ মহিলা বক্সাৰ অংকুশিতা বড়োৰ জয়েৰে অভিযান আৰম্ভ।

০০০০০০

সাগৰীয় ঘূৰ্ণী বতাহ ৰিমলৰ প্ৰভাৱত কালি নিশাৰে পৰা গুৱাহাটী, কামৰূপ, নলবাৰী, ধুবুৰী, দক্ষিণ শালমাৰা-মানকাচৰকে ধৰি নামনি অসমৰ প্ৰায়ভাগ জিলাতে হোৱা প্ৰবল ধুমুহা আৰু বৰষুণৰ বাবে বিস্তৃৰ্ণ অঞ্চল ক্ষতিগ্ৰস্ত হৈছে। ধুমুহাৰ ফলত ঠায়ে ঠায়ে প্ৰকাণ্ড গছ বাগৰি পৰাত বিদ্যুৎ সেৱা আৰু যাতায়াত ব্যৱস্থা ব্যাহত হৈ পৰিছে। আনহাতে কেইবা ঠাইতো গছ উভালি পৰাৰ ফলত স্কুল বাছ, ব্যক্তিগত বাহন আদি ক্ষতিগ্ৰস্ত হোৱাৰ লগতে যাতায়াত ব্যৱস্থাতো ব্যাঘাত জন্মিছে। ইপিনে আজিৰে পৰা অহা ৩১ মে’ পৰ্যন্ত ৰাজ্যৰ ঠাই বিশেষে ৪০ৰ পৰা ৫০ কিলোমিটাৰ গতিবেগত বতাহ আৰু প্ৰায়বোৰ জিলাতে বিজুলী ঢেৰেকনীৰ লগতে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ অহাৰ সম্ভাৱনা আছে। বৰঝাৰস্থিত আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই প্ৰকাশ কৰা মতে চিৰাং, বাক্সা, ডিমা হাচাও আৰু কাছাৰ জিলাৰ কোনো কোনো ঠাইত আজি ৰি-মলৰ প্ৰভাৱত ২০৪ দশমিক ৫ মিলিমিটাৰতকৈও অধিক পৰিমাণৰ বৰষুণ অহাৰ সম্ভাৱনা আছে। আনহাতে বতৰ বিজ্ঞান কেন্দ্ৰই এই সময়ছোৱাত তামুলপুৰ, বৰপেটা, নলবাৰী আজি জিলাত ৬০ দশমিক ৫ মিলিমিটাৰৰ পৰা ২০৪ দশমিক ৪ মিলিমিটাৰ বৰষুণ অহাৰ সম্ভাৱনা প্ৰকাশ কৰিছে।

পশ্চিমবংগ আৰু বাংলাদেশীয় উপকূলীয় অঞ্চলৰ পৰা উত্তৰ-পূব দিশলৈ গতি কৰা ঘূৰ্ণী বতাহজাকৰ বাবে ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা বিভাগেও বিশেষ সতৰ্কতা জাৰি কৰিছে। আনহাতে আভ্যন্তৰীণ জল পৰিবহণ বিভাগে আজিও ফেৰী সেৱা বন্ধৰ নিৰ্দেশনা বাহাল ৰাখিছে।

মৰিগাঁও জিলাতো ৰিমলৰ প্ৰভাৱ পৰিব বুলি আশংকা কৰি জিলা প্ৰশাসনে জনসাধাৰণৰ জীৱন আৰু সম্পত্তিৰ সুৰক্ষাৰ স্বাৰ্থত আজি নৌকা সেৱা বন্ধ ৰাখিবলৈ নিৰ্দেশ দিছে। এই নিৰ্দেশ অনুসৰি সকলো চৰকাৰী আৰু ব্যক্তিগত সেৱা এই সময়ছোৱাত বন্ধ থাকিব। অৱশ্যে অত্যাৱশ্যকীয় সেৱা, সাহায্য আৰু উদ্ধাৰ অভিযানৰ ক্ষেত্ৰত এই নিৰ্দেশ কাৰ্যকৰী নহ’ব। লগতে এই সময়ছোৱাত জিলাখনত মাছ ধৰাতো নিষেধাজ্ঞা

আৰোপ কৰা হৈছে। ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈ সমূহত উল্লিখিত সময়ছোৱাত কোনেও মাছ ধৰিব নোৱাৰিব। ইপিনে তামুলপুৰ জিলা প্ৰশাসনেও এই সময়ছোৱাত নদীত মাছ ধৰা, সাঁতোৰা, নৈৰ দাঁতিত ফটো তোলা, নৈৰ পাৰত ঘূৰা-পকা আদিৰ পৰা বিৰত থাকিবলৈ ৰাইজক আহ্বান জনাইছে। লগতে নিত্যপ্ৰয়োজনীয় সামগ্ৰী, কাপোৰ, খাদ্যবস্তু, শিক্ষাৰ্থীক কিতাপ-পত্ৰ আদি মজুত ৰাখিবলৈও আহ্বান জনাইছে। যদি কোনো লোকে ধুমুহা, ধাৰাষাৰ বৰষুণ আদিৰ ফলত বিপদগ্ৰস্ত হয় তেন্তে তেওঁলোকক ০৩৬২৪-১০০ অথবা ৯৩৮৭৮-৯৩৩৯৪ নম্বৰত ততালিকে যোগাযোগ কৰিবলৈ জিলা প্ৰশাসনৰ তৰফৰ পৰা অনুৰোধ জনোৱা হৈছে। একেদৰে গোৱালপাৰা, ধুবুৰী, বঙাইগাঁও, দক্ষিণ শালমাৰা-মানকাচৰ, মাজুলী, বৰাক উপত্যকা আদিতো আজি ৰিমলৰ প্ৰভাৱৰ প্ৰতি লক্ষ্য ৰাখি নদীত মাছ ধৰা আৰু নৌকা সেৱা বন্ধ ৰখাৰ নিৰ্দেশ দিয়া হৈছে। ইফালে ৰিমলৰ প্ৰভাৱত ৰাজ্যৰ বিভিন্ন স্থানত হৈ থকা নেৰানেপেৰা বৰষুণৰ ফলত শোৱণশিৰি, ধনশিৰি, জীয়াভৰলী, কপিলি, পুথিমাৰী, বেকী আদিকে ধৰি বিভিন্ন নৈ আৰু উপনৈৰ জলস্তৰ বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে।

০০০০০০

প্ৰতিকূল বতৰৰ পৰিপ্ৰেক্ষিতত আজি প্ৰশাসনে ৰাজ্যৰ কেইবাখনো জিলাৰ শিক্ষানুষ্ঠান বন্ধৰ ঘোষণা কৰিছে। ৰিমলৰ প্ৰভাৱত ৰাজ্যৰ কেইবাখনো জিলাত হৈ থকা নেৰানেপেৰা বৰষুণ আৰু ধুমুহাৰ বাবে চৰকাৰী আৰু বেচৰকাৰী বিদ্যালয়সমূহৰ ক্ষেত্ৰত বন্ধৰ এই ঘোষণা কৰা হৈছে। মৰিগাঁও জিলাৰ আয়ুক্তই জিলাখনৰ বিদ্যালয়সমূহ বন্ধ ৰাখিবৰ বাবে বিদ্যালয় পৰিদৰ্শকক নিৰ্দেশ দিছে। ইফালে গুৱাহাটী মহানগৰীৰো চৰকাৰী বিদ্যালয়সমূহৰ লগতে ব্যক্তিগত খণ্ডৰ বিদ্যালয়সমূহো আজি বন্ধ ৰখা হৈছে।

০০০০০০

আজিৰে পৰা অহা ৩ জুনলৈ তামুলপুৰ জিলাৰ বৰখোপাত থকা ১ নম্বৰ বৰখোৱা হাইস্কুল পৰীক্ষা কেন্দ্ৰত অনুষ্ঠিত হ'বলগীয়া হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ কমপাৰ্টমেণ্টেল পৰীক্ষা উপলক্ষে জিলা প্ৰশাসনে নিষেধাজ্ঞা জাৰি কৰিছে। ভাৰতীয় দণ্ডবিধিৰ ১৪৪ ধাৰা বলৱৎ কৰা পৰীক্ষা কেন্দ্ৰৰ আশে-পাশে হ'ব পৰা পৰীক্ষাৰ্থীৰ অভিভাৱক তথা পিতৃ-মাতৃৰ ভিৰ আৰু উদ্ভৱ হ'ব পৰা অনাকাংক্ষিত পৰিস্থিতি ৰোধৰ বাবে প্ৰশাসনে কেতবোৰ ব্যৱস্থা লৈছে। এই মৰ্মে ছাত্ৰ-ছাত্ৰী, নিৰীক্ষক আৰু পৰীক্ষাত নিয়োজিত লোকৰ বাহিৰে কোনো লোকে পৰীক্ষা কেন্দ্ৰৰ ৫০ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত প্ৰবেশ কৰিব নোৱাৰিব।

০০০০০০

আজি আন্তঃৰাষ্ট্ৰীয় ঋতুস্ৰাৱ পৰিস্কাৰ-পৰিচ্ছন্নতা দিৱস। মহিলাসকলক নিৰাপদ ঋতুস্ৰাৱৰ উপকাৰিতাৰ বিষয়ে জনাবলৈ তথা এই সন্দৰ্ভত সজাগতা সৃষ্টি আৰু এই বিষয়ে মুকলিকৈ কথা পাতিবলৈ উৎসাহিত কৰাৰ উদ্দেশ্যে প্ৰতি বছৰে ২৮ মে'ৰ দিনটো সমগ্ৰ বিশ্বতে ঋতুস্ৰাৱ পৰিস্কাৰ-পৰিচ্ছন্নতা দিৱস হিচাপে পালন কৰি অহা হৈছে। দেশৰ ভিন্ন প্ৰান্তৰ লগতে অসমতো আজি এই দিৱস উপলক্ষে বিভিন্ন সজাগতা কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। গোলাঘাট জিলাৰ ৪ খনকৈ চাহ বাগিচাত যোৱা ২৬ মে'ৰ পৰা তিনি দিনীয়াকৈ মহিলাৰ স্বাস্থ্য পৰীক্ষা শিবিৰ আৰু সজাগতা শিবিৰ অনুষ্ঠিত কৰা হয়। টাটা ট্ৰাষ্টৰ জলোধৰী প্ৰকল্পৰ অধীনত আয়োজিত এই শিবিৰসমূহ কাজিৰঙা হাতীখুলি, দিৰিং আৰু আন দুখন চাহ বাগিচাত পৰ্যায়ক্ৰমে অনুষ্ঠিত হয়। শিবিৰত বাগানত কাম কৰা মহিলা শ্ৰমিকসকলৰ মাজত ঋতুস্ৰাৱক লৈ থকা বিভিন্ন অন্ধবিশ্বাস দূৰ কৰি সজাগতা সৃষ্টি কৰাৰ লগতে অভিজ্ঞ চিকিৎসকৰ দ্বাৰা স্বাস্থ্য পৰীক্ষা কৰোৱা হয়। ইফালে ঋতুস্ৰাৱ পৰিস্কাৰ-পৰিচ্ছন্নতা দিৱস উপলক্ষে মহানগৰ আৰক্ষীয়ে এছ এম আৰ চিৰ উদ্যোগত মহিলা আৰক্ষী

বিষয়াসকলৰ বাবে কালি গুৱাহাটীত ঋতুস্ৰাৱ স্বাস্থ্য ব্যৱস্থাপনা সম্পৰ্কীয় সজাগতা কাৰ্যসূচী গ্ৰহণ কৰে। এই কাৰ্যসূচীত ঋতুস্ৰাৱ স্বাস্থ্য ব্যৱস্থাপনা বিশেষজ্ঞ শ্বেতাংগনা ভূঞা ঝা সমল ব্যক্তি হিচাপে উপস্থিত থাকে।

০০০০০০

লোকসভা নিৰ্বাচনৰ সপ্তম পৰ্যায়ৰ প্ৰচাৰ অভিযানৰ সামৰণি পৰিবলৈ মাজত মাত্ৰ দুটা দিন বাকী থকা অৱস্থাত নিৰ্বাচন হ'বলগীয়া সমষ্টিসমূহত প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। ৰাজনৈতিক দলৰ জ্যেষ্ঠ নেতাসকলে নিৰ্বাচনী সভা তথা ৰোড শ্ব'ৰ জৰিয়তে ভোটদাতাক আকৰ্ষণ কৰিবলৈ আপ্ৰাণ প্ৰয়াস চলোৱা পৰিলক্ষিত হৈছে।

জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ঝাৰখণ্ড তথা পশ্চিমবংগত তিনিখনকৈ জনসভা আৰু এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰিব। এটা সংবাদ গোষ্ঠীত দিয়া সাক্ষাৎকাৰত কালি শ্ৰীমোদীয়ে কয় যে, আত্মনিৰ্ভৰ ভাৰত উদ্যমৰ অধীনত দেশৰ থলুৱা প্ৰতিভাক বিকাশ কৰাৰ লগতে নিয়োগ বৃদ্ধি কৰিবলৈ চেষ্টা চলোৱা হৈছে। তেওঁ কয় যে, চৰকাৰে দেশক অগ্ৰাধিকাৰ দি প্ৰতিটো সিদ্ধান্ত লৈ আহিছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি ওড়িশাৰ ভদ্ৰক, জাজপুৰ আৰু জগতসিংপুৰত তিনিখন জনসভাত অংশ ল'ব। শ্ৰীশ্বাহে কাইলৈ উত্তৰ প্ৰদেশৰ বালিয়া, দেওৰিয়া আৰু মহৰগঞ্জত নিৰ্বাচনী প্ৰচাৰ চলাব।

ইপিনে বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই কাইলৈ দেওঘৰত ৩খন নিৰ্বাচনী সভাত ভাগ ল'ব। আনহাতে সমাজবাদী পাৰ্টীৰ মুৰব্বী অখিলেশ যাদৱে জ্যেষ্ঠ কংগ্ৰেছ নেতা ৰাহুল গান্ধীৰ সৈতে বাৰাণসীত আজি এখন যৌথ ৰাজহুৱা সভাত নিৰ্বাচনী প্ৰচাৰ চলাব।

আনহাতে কংগ্ৰেছৰ সাধাৰণ সম্পাদক প্ৰিয়ংকা গান্ধীয়ে কালি হিমাচল প্ৰদেশৰ চাম্বা আৰু ছাহপুৰ সংসদীয় সমষ্টিত দুখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। সভাত শ্ৰীমতী গান্ধীয়ে সমগ্ৰ দেশতে জনসাধাৰণে মুদ্ৰাস্ফীতিৰ বিৰুদ্ধে যুঁজ দিয়াৰ উপৰি নিবনুৱাৰ সংখ্যা বৃদ্ধি পোৱা বুলি অভিযোগ উত্থাপন কৰে। তেওঁ কয় যে, আই এন ডি আই মিত্ৰজোঁটে মহালক্ষ্মী আঁচনিৰ জৰিয়তে দুখীয়া পৰিয়ালৰ মহিলাসকলৰ সৱলীকৰণৰ হকে কাম কৰিব।

০০০০০০

দেশৰ নিৰ্বাচন আয়োগে প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ আৰম্ভ হোৱাৰে পৰা অন্তিম পৰ্যায়ৰ ভোটগ্ৰহণৰ সামৰণি পৰাৰ আধাঘণ্টা পাছলৈকে একজিট পোল বা নিৰ্বাচনৰ পৰৱৰ্তী সমীক্ষা প্ৰচাৰ কৰাত বাধা আৰোপ কৰিছে। যোৱা ২৮ মাৰ্চত আয়োগে এখন অধিসূচনাযোগে জনপ্ৰতিনিধিত্ব আইন ১৯৫১ অনুসৰি ছপা, বৈদ্যুতিন বা অন্য কোনো প্ৰচাৰ মাধ্যমতে এনে ধৰণৰ সমীক্ষা প্ৰকাশ আৰু প্ৰচাৰত নিষেধাজ্ঞা আৰোপ কৰিছে। এই অনুসৰি ১ জুনৰ সন্ধিয়া চাৰে ছয় বজাৰ পূৰ্বে কোনো প্ৰচাৰ মাধ্যমে এক্‌জিট পোলৰ ফলাফল ঘোষণা কৰিব নোৱাৰিব। এই নিষেধাজ্ঞা ভংগ কৰিলে জৰিমণা বা ২ বছৰ পৰ্যন্ত কাৰাবাস নাইবা দুয়োটা শাস্তি বিহা হ'ব বুলি উল্লেখ কৰা হৈছে। ৰাজ্যৰ মুখ্য নিৰ্বাচনী কাৰ্যালয়ে সকলো সংবাদ মাধ্যমকে এই নিৰ্দেশনা মানি চলিবলৈ আহ্বান জনাইছে।

০০০০০০

অহা ৪ জুনত হ'বলগীয়া লোকসভা নিৰ্বাচনৰ ভোটগণনাৰ বাবে ৰাজ্যৰ জিলা প্ৰশাসনসমূহে প্ৰস্তুতি অব্যাহত ৰাখিছে। গুৱাহাটীৰ মণিৰাম দেৱান ট্ৰেড চেণ্টাৰত হ'বলগীয়া কামৰূপ মহানগৰ নিৰ্বাচনী জিলাৰ ভোটগণনা প্ৰক্ৰিয়াৰ পূৰ্বে গণনা প্ৰক্ৰিয়াত জড়িত সকলো পৰ্যায়ৰ বিষয়া-কৰ্মচাৰীক প্ৰশিক্ষণ দিয়াৰ উদ্দেশ্যে কালি দিছপুৰস্থিত লোকনিৰ্মাণ বিভাগৰ সন্মিলন আৰু প্ৰশিক্ষণ কেন্দ্ৰত বিশেষ প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত

কৰা হয়। অহা ১ জুনলৈকে অব্যাহত থাকিবলগীয়া এই কাৰ্যসূচীত গণনা তত্বাৱধায়ক, গণনা সহায়ক, মাইক্ৰ' অবজাৰ্ভাৰ, পোষ্টেল বেলট গণনাত নিয়োজিত বিষয়া-কৰ্মচাৰীক প্ৰশিক্ষণ দিয়া হয়। ইফালে ডিব্ৰুগড় নিৰ্বাচনী জিলাৰ ভোটগণনা প্ৰক্ৰিয়া নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে নিয়োজিত বিষয়াসকলৰ দ্বিতীয় পৰ্যায়ৰ প্ৰশিক্ষণ কালি ডিব্ৰুগড় জিলা পুথিভঁৰালত অনুষ্ঠিত হয়। একেদৰে তিনিচুকীয়া জিলাতো কালি ভোটগণনাৰ দায়িত্ব নিৰ্বাহ কৰিবলগীয়া বিষয়া-কৰ্মচাৰীসকলক প্ৰশিক্ষণ দিয়া হয়। এই প্ৰশিক্ষণ কাৰ্যসূচীত চাৰি শতাধিক বিষয়া-কৰ্মচাৰীয়ে অংশ লয়।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি ওড়িশাৰ ভদ্ৰক, জাজপুৰ, কেন্দ্ৰপাৰা আৰু জগতসিংপুৰ লোকসভা সমষ্টিত ৪খনকৈ নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয়। বিজেপিৰ প্ৰাৰ্থী অভিমন্যু শেথী, গৌতম ৰয়, বৈজয়ন্ত জয় পাণ্ডা আৰু বিভূ প্ৰসাদ তৰাইৰ হৈ প্ৰচাৰ চলোৱা মুখ্যমন্ত্ৰীয়ে দ্বৈত ইঞ্জিনৰ চৰকাৰৰ জৰিয়তে নতুন ওড়িশা নিৰ্মাণৰ বাবে জনতাক আহ্বান জনায়। উল্লেখযোগ্য যে ওড়িশাত লোকসভাৰ সমান্তৰালকৈ বিধানসভাৰো নিৰ্বাচন অনুষ্ঠিত হৈছে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই কালিৰ নিৰ্বাচনী সভাতে বিনঝাৰপুৰ, ভদ্ৰক, পাটকুৰা আৰু ককতপুৰ বিধানসভা সমষ্টিতো বিজেপি প্ৰাৰ্থীক ভোট দি সমৃদ্ধিশালী ওড়িশা নিৰ্মাণ কৰিবলৈ জনসাধাৰণক আহ্বান জনায়। ভাষণ প্ৰসংগত ড০ শৰ্মাই কয় যে, ওড়িশা প্ৰাকৃতিক আৰু মানৱ সম্পদত চহকী যদিও দুৰ্বল চৰকাৰ শাসনত থকা বাবেই অন্য ৰাজ্যৰ দৰে সমৃদ্ধিশালী হ'ব পৰা নাই। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নীতিৰে বিজেপি চৰকাৰ গঠন হ'লে ওড়িশাও দেশৰ অন্যতম শ্ৰেষ্ঠ ৰাজ্য হোৱাৰ সম্ভাৱনা আছে বুলি তেওঁ কয়। ইফালে ওড়িশাৰ কৃষকৰ দুৰৱস্থাৰ কথা উল্লেখ কৰি ড০ শৰ্মাই ইয়াৰ বাবে বৰ্তমানৰ চৰকাৰখনক সমালোচনা কৰে। বিজেপি চৰকাৰ গঠন হ'লে ৰাজ্যখনৰ কৃষকক শস্যৰ উচিত মূল্য প্ৰদানৰ লগতে মহিলাৰ আৰ্থিক সৱলীকৰণ আৰু যুৱক-যুৱতীৰ স্বাৱলম্বীতা বৃদ্ধিৰ বাবে পদক্ষেপ গ্ৰহণ কৰিব বুলি তেওঁ লগতে কয়।

০০০০০০

চিৰাং জিলাৰ বিজনী মহকুমাৰ গেণ্ডা বজাৰত কালি সীমান্ত অঞ্চলৰ নিৰাপত্তাত নিয়োজিত এছ এছ বিৰ অভিযানত এডাল দুস্প্ৰাপ্য কেঁকো সাপ উদ্ধাৰ কৰাৰ লগতে এজন লোকক আটক কৰা হয়। পৰৱৰ্তী সময়ত অভিযানকাৰী দলটোৱে উদ্ধাৰ কৰা কেঁকো সাপটোৰ লগতে ধৃত লোকজনক বন বিভাগৰ বিজনী বন ডিপ'ৰ কাৰ্যালয়ত চমজাই দিয়ে।

০০০০০০

অসমৰ মহিলা বক্সাৰ অংকুশিতা বড়োই বেংককত চলি আসন্ন পেৰিছ অলিম্পিকৰ যোগ্যতা নিৰ্ণয়কাৰী প্ৰতিযোগিতাত জয়েৰে অভিযান আৰম্ভ কৰিছে। বিশ্ব যুৱ বক্সিঙৰ পূৰ্বৰ চেম্পিয়ন অংকুশিতাই কালি অনুষ্ঠিত হোৱা ৬০ কেজি শাখাৰ প্ৰথম ৰাউণ্ডৰ খেলত মংগোলিয়াৰ প্ৰতিদ্বন্দ্বি নমুন মংকোৰক ৪-১ৰ ব্যৱধানত পৰাস্ত কৰে। উল্লেখযোগ্য যে প্ৰতিযোগিতাখনত ফাইনলেত প্ৰৱেশ কৰিব পাৰিলেহে পেৰিছ অলিম্পিকলৈ যোগ্যতা অৰ্জন কৰাত অংকুশিতা সফল হ'ব। ইতিমধ্যে টকিঅ' অলিম্পিকত ব্ৰঞ্জৰ পদক বিজয়ী অসম কন্যা লাভলিনা বৰগোঁহাইৰ লগতে নিখাত জাৰিন আৰু প্ৰীতিয়ে এছিয়ান গেমচত পদক জয়ৰ সফলতাৰে পেৰিছ অলিম্পিকলৈ যোগ্যতা অৰ্জন কৰিছে।

০০০০০০

ৰাজ্যৰ কৃষিখণ্ডত ভয়াৱহ বিপৰ্যয়, ১৭ মাহত নিবনুৱা বাঢ়িল, ১৮ লাখ- ২০ হাজাৰ- ৭১৩ জন, ৰাজ্যৰ মাত্ৰ ১৫ শতাংশ কৃষিভূমিতহে জলসিঞ্চনৰ পানী, উত্তৰ পূবৰ ৫ বৃহৎ প্ৰকল্পক লৈ ক্ষুব্ধ কেন্দ্ৰ, জালনোট

সৰবৰাহৰ কেন্দ্ৰ হৈ পৰিছে গুৱাহাটী, কৃত্রিম বুদ্ধিমত্তাৰ আতংক ভাৰততো আদি শিৰোনামেৰে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক বাতৰি কাকতসমূহ ক্রমে- দৈনিক অসম, অসমীয়া প্ৰতিদিন, নিয়মীয়া বাৰ্তা, দৈনিক জনমভূমি, অসমীয়া খবৰ আৰু দৈনিক অগ্ৰদূতে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। দা আছাম ট্ৰিবিউন আৰু দি ছেণ্টিনেল কাকতে ক্ৰমে REMAL TRIGGERS HEAVY RAINS IN PATS OF STATE আৰু A SECTION OF POLICE PERSONNEL STILL LACKS PEOPLE FREINDLY BEHAVIOUR শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে।

ঘূৰ্ণীবতাহ ৰিমলে সংহাৰী ৰূপ ধাৰণ কৰাৰ বাতৰি আমাৰ অসম কাকতে ক্ৰমশঃ দুৰ্বল হৈছে ৰিমল, অহা ৪ দিনলৈ অসমত বৰষুণ শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে। এই বাতৰিটোকে অন্য বাতৰি কাকতে নিম্নগামী পাৰাস্তম্ভ-স্বস্তি নাগৰিকৰ, মজলীয়া বৰষুণ-বতাহে উৎকট গৰমৰ পৰা সকাহ দিলে ৰাজ্যবাসীক, ৰিমলক লৈ ৰাজ্যত এলাৰ্ট- ধৰিব পাৰে ৰুদ্ৰমুৰ্তি- ১৪ বিমান, ৪৪ ৰে'ল বাতিল আদি শিৰোনামেৰে গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে। ইয়াৰ লগতে বাংলাদেশ, পশ্চিমবংগ, কলকাতাত ৰিমলৰ ফলত হোৱা ক্ষয়-ক্ষতিৰ বাতৰিকো বাতৰি কাকতসমূহে প্ৰথম পৃষ্ঠাত স্থান দিছে।

ৰাজ্যৰ ৰাজনীতিত অধিক তৎপৰ হোৱাৰ লগতে বংগত বিজেপিয়ে ৩২খন আসনত জয়ী হ'ব বুলি সৰ্বানন্দ সোণোৱালে দাবী কৰা বাতৰিক প্ৰায়কেইখন কাকতেই প্ৰকাশ কৰিছে। কটন বিশ্ববিদ্যালয়ৰ ১২৪ সংখ্যক প্ৰতিষ্ঠা দিৱসত বিশিষ্ট শিক্ষাবিদ শেখৰ চি মাণ্ডে, বিফলতাত হতাশ নহৈ, তাৰ পৰা শিক্ষা লৈ নৱপ্ৰজন্মক আগুৱাই যাবলৈ কৰা মন্তব্যক নিয়মীয়া বাৰ্তা কাকতে গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে। ২০২৬ত ড০ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত চৰকাৰ গঠন হোৱাৰ লগতে লোকসভাত ১২খন আসন বিজেপিয়ে পাব বুলি সভাপতি ভবেশ কলিতাৰ মন্তব্যক দৈনিক জনমভূমি কাকতে প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে- চীনে কৃত্ৰিমভাৱে সৃষ্টি কৰিছে প্ৰাণঘাতী নতুন ভাইৰাছ, নামেৰিত উলাইছে হিমালয়ান চিৰো ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০

সমাপ্ত